অসমত অ-সহযোগ আন্দোলনৰ বিষয়ে এখন ৰচনা লিখা।

ৰাওলাট আইন আৰু জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ বিৰুদ্ধে 1920 চনত মহাত্মাৰ দ্বাৰা কংগ্ৰেছৰ অধিৱেশনত অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। লগতে চৰকাৰী চাকৰী, আদালত, অনুষ্ঠান, সভা-সমিতিত অংশগ্ৰহণৰ পৰা বিৰত থাকিবলৈ আৰু বিদেশী সামগ্ৰী বৰ্জন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হয়।

ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যবোৰৰ লগতে অসমেও অসহযোগ আন্দোলনৰ প্ৰতি সঁহাৰি জনাইছিল। তৰুণৰাম ফুকনৰ সভাপতিত্বত আৰু নবীন চন্দ্ৰ বৰদলৈৰ সম্পাদনাত গঠিত অসম কংগ্ৰেছে জাতীয় কংগ্ৰেছৰ সিদ্ধান্তক সমৰ্থন জনায়। তাৰ আগতে অসম এছোচিয়েচনে এই আন্দোলনৰ সৃষ্টি কৰিছিল।

অসমত অ-সহযোগ আন্দোলনক কৃতকাৰ্য কৰি তুলিবলৈ সকলো শ্ৰেণীৰ লোকে সৰ্বস্বপণ চেষ্টা কৰিছিল। কৃষ্ণনাথ শৰ্মাই জাতীয় বাহিনীৰ সদস্যপদ ত্যাগ কৰিছিল। বেনিমাধৱ শৰ্মা আৰু চন্দ্ৰনাথ শৰ্মাই বাহিনীৰ সদস্য পদত থাকি খাটিবলৈ কৰা আবেদন-পত্ৰ উঠাই লৈছিল। বহুতো লোকে চৰকাৰী চাকৰি ত্যাগ কৰি অসহযোগ আন্দোলনৰ প্ৰতি সঁহাৰি জনাইছিল। অক্ষয় কুমাৰ দাস, ধনীৰাম তালুকদাৰ, বেণুধৰ গোস্বামী, কৃষ্ণ বৰা, লক্ষ্মীধৰ শৰ্মা, কুলধৰ চলিহা প্ৰমুখ্যে বহুতো উকীল সকলে আদালত বৰ্জন কৰি অসহযোগ আন্দোলনক সফল কৰি তুলিছিল।

অসমীয়া ছাত্ৰসকলেও অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰি ইয়াক অধিক তীব্ৰতৰ কৰি তুলিছিল। ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী পৃষ্ঠপোষকতাত প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান বোৰ বৰ্জন কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ সুবিধাৰ্থে জাতীয় শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল। মহিমুদ্দিন আহমেদে 30 জন শিক্ষাৰ্থীৰে যোগিনী কুমাৰ চৌধুৰীৰ ঘৰত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি শিক্ষাদান আৰম্ভ কৰিছিল।

Scanned with CamScanner

এই শিক্ষানুষ্ঠানৰ প্ৰধান শিক্ষক আছিল গোপীনাথ বৰদলৈ। নগাঁও, কৰিমগঞ্জ, তেজপুৰ, মঙলদৈ, বৰপেটা আদি ঠাইতো জাতীয় শিক্ষানুষ্ঠান গঢ়ি উঠিছিল। বহুত কলেজৰ ছাত্ৰ বিদ্যাৰ্থীয়ে শিক্ষানুষ্ঠান পৰিত্যাগ কৰি আন্দোলনৰ অগ্ৰভাগত আত্মনিয়োগ কৰিছিল। এই আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰা ছাত্ৰ সকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা, অম্বিকা কুমাৰ দাস, পূৰ্ণ শৰ্মা, কৰি মহেন্দ্ৰ, সিদ্ধিনাথ শৰ্মা আদি আছিল প্ৰধান।

1921 চনৰ মে মাহত জন্ম লোৱা অসম কাংগ্ৰেছ সমিতিয়ে গান্ধীক অসমলৈ নিমন্ত্ৰণ কৰাৰ সিদ্ধান্ত লয়। অৱশেষত সেই বছৰ আগষ্টত গান্ধীয়ে অসমলৈ আহে মৌলানা মহম্মদ আলী, মৌলানা আজাদ সোভানী, মদনমোহন মালব্যৰ লগত অসম ভ্ৰমণ কৰে। ইংৰাজ চৰকাৰে গান্ধীজীৰ অসম ভ্ৰমণ ভালকৈ লোৱা নাছিল। ফলত গুৱাহাটীৰ জজ খেলপথাৰত সভা অনুষ্ঠিত কৰাৰ অনুমতি চৰকাৰে দিয়া নাছিল। তৰুণৰাম ফুকনৰ চৌহদত অনুষ্ঠিত সভাত হাজাৰ হাজাৰ লোকে যোগদান কৰিছিল। গান্ধীৰ প্ৰভাৱে অসমত অসহযোগ আন্দোলনক অধিক তীব্ৰতৰ কৰি তুলিছিল। গান্ধীৰ সন্মুখতে অসংখ্য লোকে বিলাতী বস্ত্ৰ দাহ কৰিছিল। গান্ধীৰ এই প্ৰভাৱে অসমীয়া লোকৰ মাজত খাদী বস্ত্ৰ উৎপাদন, হিন্দু-মুছলমানৰ মিলাপ্ৰীতি আৰু অস্পৃশ্যতা বৰ্জনৰ প্ৰতি প্ৰেৰণা যোগাইছিল।

অসমৰ চৰকাৰে কঠোৰ হাতেৰে এই আন্দোলন দমন কৰিছিল। কাংগ্ৰেছৰ সভা-সমিতিবোৰক বেআইনী ঘোষণা কৰি শ শ লোকক আটক কৰা হৈছিল। সেই আইন বলবৎ কৰি কাৰ্য্যৰ মাজত অধিক নিষিদ্ধ কৰা হৈছিল।

* * *